**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-06-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। সাম্প্ৰতিক বানত ৰাজ্যৰ ২১ খন জিলাৰ ৫ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি বৰাক উপত্যকাৰ বান পৰিস্থিতি পৰ্যবেক্ষণ।

২। অসমৰ বান পৰিস্থিতি সম্পৰ্কত প্ৰধানমন্ত্ৰীৰ মুখ্যমন্ত্ৰীৰে টেলিফোনযোগে বাৰ্তালাপ। ক্ষতিগ্ৰস্তসকলৰ সাহায্য আৰু পুনৰসংস্থাপনৰ ক্ষেত্ৰত পূৰ্ণ সমৰ্থনৰ আশ্বাস।

৩। গুৱাহাটী মহানগৰীক বানমুক্ত কৰাৰ লক্ষ্যৰে শিলসাঁকোত চৰকাৰৰ উচ্ছেদ অভিযান অব্যাহত।

৪। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নৱনিযুক্ত সভাপতি হিচাপে গৌৰৱ গগৈৰ আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠান আৰম্ভ। আজিৰ ফাইনেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু পাঞ্জাব কিংছ মুখামুখী।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ পৰা অসমৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ বুজ লয়। আজি আগবেলা প্ৰধানমন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ সৈতে হোৱা টেলিফোন বাৰ্তালাপত বানত ক্ষতিগ্ৰস্তসকলৰ সাহায্য আৰু পুনৰসংস্থাপনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে পূৰ্ণ সমৰ্থন আগবঢ়াব বুলি আশ্বাস দিয়ে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই অসম আৰু চুবুৰীয়া ৰাজ্যসমূহত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত সৃষ্টি হোৱা বান পৰিস্থিতি আৰু ৰাজ্যখনৰ বিভিন্ন অঞ্চলত পৰা ইয়াৰ প্ৰভাৱ সন্দৰ্ভত প্ৰধানমন্ত্ৰীক অৱগত কৰে। ৰাজ্য চৰকাৰে সম্ভৱপৰ সকলো ধৰণৰ সাহায্য বান পীড়িতক আগবঢ়োৱা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী মোদীক জানিবলৈ দিয়ে।

প্ৰধানমন্ত্ৰীয়ে ছিকিমৰ শোচনীয় বান পৰিস্থিতি সন্দৰ্ভতো ৰাজ্যখনৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙৰ সৈতে টেলিফোন যোগে কথা পাতে। শ্ৰী মোদীয়ে বান, ভূমিস্খলনৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ কবলত পৰা ৰাজ্যখনক সকলো ধৰণৰ সাহায্য আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। মুখ্যমন্ত্ৰী টামাঙে ইয়াৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীক কৃতজ্ঞতা জনাই কয়, যে পৰিস্থিতি চম্ভালিবৰ বাবে ৰাজ্য প্ৰশাসন সম্পূৰ্ণ প্ৰতিশ্ৰুতিবদ্ধ আৰু দুৰ্যোগৰ কবলত পৰা লোকসকলক সকলো ধৰণৰ প্ৰয়োজনীয় সাহায্য আগবঢ়োৱা হৈছে।

০০০০০০০

সাম্প্ৰতিক বানত ৰাজ্যৰ ২১ খন জিলাৰ ৫ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ১৬৫ টা আশ্ৰয় শিবিৰত ৩১ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ১৫৭ টা সাহায্য সামগ্ৰী বিতৰণ কেন্দ্ৰত ক্ষতিগ্ৰস্ত লোকসকলৰ মাজত প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰা হৈছে। ৰাজ্যখনত সাম্প্ৰতিক বানত ১৩ জন লোকে প্ৰাণ হেৰুৱাইছে। যোৱা ২৪ ঘণ্টাত হোজাই জিলাত এজন লোকৰ মৃত্যু হয় আৰু

ডিব্ৰুগড় আৰু হাইলাকান্দিত দুজন লোক সন্ধানহীন হয়। এছ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে। নগৰাঞ্চলত হোৱা বানৰ ফলত কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ১৫ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে স্থাপন কৰা দুটা আশ্ৰয় শিবিৰত ৪৬৪ জন লোকে আশ্ৰয় লৈ আছে।

ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানীত ডিব্ৰুগড় জিলাৰ উপকণ্ঠ অঞ্চল বগীবিলৰ কেইবাখনো গাঁও প্লাৱিত হৈছে। বানে কেইবাশ বিঘা কৃষিভূমি বুৰাই পেলাইছে। এতিয়াও অঞ্চলটোৰ কমেও ২৭ টা পৰিয়ালৰ বাসগৃহ পানীত বুৰ গৈ আছে। জিলাখনৰ খোৱাং সমষ্টিৰ কেইবাখনো গাঁও বুঢ়ীদিহিং নৈৰ বাঢ়নি পানীয়ে বুৰাই পেলাইছে। সমষ্টিটোৰ ভগামুৰ উন্নয়ন খণ্ডৰ ৰিং বান্ধ ছিগি যোৱাত গাঁওকেইখন জলমগ্ন হৈছে। জিলাখনৰ ৭টা ৰাজহ চক্ৰৰ ৬৬ খন গাঁৱৰ ২০ হাজাৰৰো অধিক লোক বছৰৰ প্ৰথমটো বানত ক্ষতিগ্ৰস্ত হৈছে। জিলাখনৰ অকলেগুত ব্ৰহ্মপুত্ৰত পৰি সন্ধানহীন হোৱা এটি ৭ বছৰীয়া শিশুক এতিয়াও উদ্ধাৰ কৰিব পৰা হোৱা নাই। জিলাখনত ২০ হাজাৰৰো অধিক পশুধনৰো ক্ষতি হৈছে। যোৱা দুদিন ধৰি বতৰ কিছু ফৰকাল হৈছে যদিও ব্ৰহ্মপুত্ৰৰ জলস্তৰ এতিয়াও বিপদসীমাৰ ওপৰত আছে।

হোজাই জিলাত কপিলী নৈৰ বাঢ়নি পানীয়ে ভালেমান অঞ্চল প্লাৱিত কৰিছে। আজি বতৰ ফৰকাল হোৱাৰ বাবে বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও ১৫ খন গাঁৱৰ ৯ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে।

বৰাক উপত্যকাৰ শ্ৰীভূমি জিলাৰ বান পৰিস্থিতি এতিয়াও অপৰিৱৰ্তিত হৈ আছে। বৰাক, লংগাইৰ আৰু কুছিয়াৰা নৈৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ ফলত ন ন অঞ্চল প্লাৱিত হৈছে। জিলা সদৰত ৯ টা সাহায্য শিবিৰ মুকলি কৰি সাহায্য সামগ্ৰী বিতৰণ কৰি থকা হৈছে।

কলিয়াবৰৰ হাতীমূৰা মথাউৰিক লৈ স্থানীয় লোক সকল সন্দিহান হৈ থকাৰ সময়তে যোৱানিশা স্থানীয় বিধায়ক তথা মন্ত্ৰী কেশৱ মহন্তই মথাউৰিটোত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে এইবাৰ হাতীমূৰা মথাউৰি নিৰ্মাণত চাৰি তৰপীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰাত মথাউৰিটোৰ ক্ষয়ক্ষতি হোৱাৰ কোনো সম্ভাৱনা নাই। অৱশ্যে শেহতীয়াকৈ ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ বাবে ২৪ ঘণ্টাই মথাউৰিটো নিৰীক্ষণ কৰি থকা হৈছে বুলিও তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে হাতীমূৰা মথাউৰিৰ শেহতীয়া স্থিতিক লৈ মুখ্যমন্ত্ৰী আৰু জলসম্পদ মন্ত্ৰীৰ সৈতে আলোচনা কৰিছে।

0000000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বৰাক উপত্যকাৰ বান পৰিস্থিতি পৰ্যবেক্ষণ কৰি বানপীড়িত জনসাধাৰণৰ বিভিন্ন সমস্যাৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ বানৰ কবলত পৰা কেইবাটাও এলেকা পৰিদৰ্শন কৰাৰ উপৰি চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয় , নৰ্মাল স্কুল, কেন্দ্ৰীয় বিদ্যালয়, কচমিক মাৰ্কেট মালিনী বিল, উকিল বজাৰ নিম্ন প্ৰাথমিক বিদ্যালয় আৰু হিৰণপ্ৰভা দেৱ শিশু মন্দিৰত আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে। তেওঁ বানপীড়িত লোকসকলৰ সমস্যাসমূহ সমাধানৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে আৰু জিলা আয়ুক্তক যাৱতীয় সামগ্ৰী আৰু চিকিৎসাৰ ক্ষেত্ৰত সহায় নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী শৰ্মাই বৰাক নদীৰ সমীপৱৰ্তী তাৰাপুৰ শিৱবাৰী ৰোডৰ ক্ষতিগ্ৰস্ত এলেকা পৰিদৰ্শন কৰি প্ৰয়োজনীয় সুৰক্ষামূলক পদক্ষেপ সন্দৰ্ভত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ সৈতে আলোচনা কৰে।

ড০ শৰ্মাই কাছাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত বান পৰিস্থিতি সন্দৰ্ভত এখন সংবাদমেলতো ভাগ লয়। জিলাখনত সাম্প্ৰতিক বানত ক্ষতিগ্ৰস্ত হোৱা ১৯ হাজাৰৰো অধিক লোক ৯০ টা শিবিৰত আশ্ৰয় লৈ আছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় , যে এই সময়ছোৱাত নিজৰ ঘৰত থাকিবলৈ বিচৰা লোকসকলকো প্ৰয়োজনীয় সাহায্য দিয়া হৈছে আৰু খহনীয়া ৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

-----বাইট----

০০০০০০০

অসমৰ লগতে উত্তৰ-পূবৰ প্ৰায়কেইখন ৰাজ্যতে ধাৰাসাৰ বৰষুণৰ ফলত বান, ভূমিস্খলন আৰু খহনীয়াই জটিল ৰূপ ধাৰণ কৰিছে। ছিকিমৰ মাংগন জিলাত আজি এন ডি আৰ এফে হেলিকপ্তাৰেৰে বানত আবদ্ধ দুজন বিদেশী নাগৰিকসহ ৩৪ জন লোকক উদ্ধাৰ কৰে। প্ৰবল বৰষুণৰ পাছত হোৱা ভূমিস্খলনত ৰাজ্যখনত তিনিজন সেনা বাহিনীৰ জোৱানৰ মৃত্যু হোৱাৰ লগতে ছজন লোক সন্ধানহীন হৈ আছে। মিজোৰামৰ আজি চতুৰ্থ দিনাও শিক্ষানুষ্ঠানসমূহ প্ৰতিকুল পৰিস্থিতিৰ বাবে বন্ধ ৰখা হৈছে। ৰাজ্যখনৰ ২১১ টা স্থানত ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে। মেঘালয়ৰ বিভিন্ন স্থানতো বান আৰু ভূমিস্খলনৰ ফলত সমস্যাৰ সৃষ্টি হৈছে।

নাগালেণ্ড আৰু মণিপুৰত হোৱা প্ৰবল বৰষুণৰ ফলত ৰাজ্য দুখনক সংযোগ কৰা ২ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ এছোৱা ছিগি যোৱাৰ ফলত সেই পথেৰে যান-বাহনৰ চলাচল ব্যাহত হৈছে। এই পথছোৱাৰ দুয়োকাষে মালবাহী ট্ৰাককে ধৰি ভালেসংখ্যক যান-বাহন কেইবাদিনো ধৰি আবদ্ধ হৈ আছে।

মণিপুৰৰ পূব ইম্ফল, সেনাপতি আৰু পশ্চিম ইম্ফল জিলা বানত অধিক ক্ষতিগ্ৰস্ত হৈছে। ত্ৰিপুৰাত বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও বিভিন্ন স্থান প্লাৱিত হৈ থকাৰ বাবে ৬৬ টা আশ্ৰয় শিবিৰত ১০ হাজাৰ ৮০০ ৰো অধিক লোকে আশ্ৰয় লৈ আছে। ৰাজ্যখনৰ পশ্চিম ত্ৰিপুৰা আৰু গোমতি জিলাৰ বিভিন্ন অঞ্চল বানত ক্ষতিগ্ৰস্ত হৈছে। নাগালেণ্ডৰ ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে ৰাজ্যখনত ধাৰাসাৰ বৰষুণ আৰু বান পৰিস্থিতি সৃষ্টি হোৱাৰ আশংকা প্ৰকাশ কৰি সতৰ্কতা জাৰি কৰিছে।

০০০০০০০

গুৱাহাটী মহানগৰীক বানমুক্ত কৰাৰ লক্ষ্যৰে শিলসাঁকোত চৰকাৰৰ উচ্ছেদ অভিযানৰ অংশ হিচাপে আজি এখন সমবায় ব্যৱস্থাপনা প্ৰতিষ্ঠান উচ্ছেদ কৰা হয়। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ উপস্থিতিত এই উচ্ছেদ অভিযান চলোৱা হয়। শ্ৰীমল্লবৰুৱাই সাংবাদিকৰ আগত কয়, যে প্ৰতিষ্ঠানখনক ইতিমধ্যে ১০ কোটি টকাৰ ক্ষতিপূৰণ দিয়া হৈছে আৰু সাময়িকভাৱে ৰিহাবাৰীলৈ স্থানান্তৰ কৰা হৈছে। পৰৱৰ্তী সময়ত প্ৰতিষ্ঠানখনৰ স্থায়ী স্থানান্তৰৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে চলিত মাহৰ ভিতৰতে শিলসাঁকোত থকা ইণ্ডিয়ান ইনষ্টিটিউট অৱ হোটেল মেনেজমেণ্ট প্ৰতিষ্ঠানখনো উচ্ছেদ কৰা হ'ব বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে উচ্ছেদ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত খৰালিত শিলসাঁকোত প্ৰায় ৮০০ বিঘা মাটি খন্দা হ'ব। এই বিলখনক এটা বৃহৎ জল ভাণ্ডাৰলৈ পৰিণত কৰিব পাৰিলে মহানগৰৰ কৃত্ৰিম বানৰ সমস্যা যথেষ্ট হ্ৰাস পাব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নৱ নিযুক্ত সভাপতি গৌৰৱ গগৈয়ে দলটোক শক্তিশালী কৰিবৰ বাবে দিনে-নিশাই কাম কৰিবলৈ দলীয় কৰ্মীসকলক আহ্বান জনাইছে। দলটোৰ ৰাজ্যিক সভাপতিৰূপে

আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত আজি আবেলি দলৰ দিছপুৰত থকা মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত আয়োজিত এটা আদৰণি অনুষ্ঠানত ভাষণ দি শ্ৰী গগৈয়ে এই আহ্বান জনায়। ৰাজ্যৰ শাসনাধিষ্ঠিত বিজেপি মিত্ৰজোঁটৰ বিৰুদ্ধে ঐক্যবদ্ধ হোৱাৰ বাবে কংগ্ৰেছৰ হাতত কেৱল ১০ মাহহে সময় আছে বুলি সভাপতিগৰাকীয়ে দলীয় কৰ্মীসকলক সোঁৱৰাই দিয়ে। আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনোৱা মতে আজি আগবেলা গুৱাহাটীৰ ৰাজীৱ ভৱনত আয়োজিত এটা অনুষ্ঠানত দলটোৰ বিদায়ী সভাপতি ভূপেন বৰাই শ্ৰী গগৈৰ হাতত আনুষ্ঠানিকভাৱে সভাপতিৰ দায়িত্ব অৰ্পণ কৰে। ইয়াৰ আগতে গৌৰৱ গগৈয়ে কামাখ্যা মন্দিৰত পূজা-অৰ্চনা আগবঢ়ায়। গৌৰৱ গগৈক আজি দলটোৰ জ্যেষ্ঠ নেতা তথা সাংসদ ৰকিবুল হুছেইন, প্ৰাক্তন মন্ত্ৰী পৱন সিং ঘাটোৱাৰকে ধৰি ভালেসংখ্যক নেতা আৰু দলীয় কৰ্মীয়ে আদৰণি জনায়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ছেপ্তেম্বৰ মাহৰ প্ৰস্তাৱিত দৰং জিলা ভ্ৰমণ সন্দৰ্ভত ৰাজ্যৰ পৰিৱেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়াই কালি মঙলদৈত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত অহা ৮ ছেপ্তেম্বৰত কুৰুৱা-নাৰেংগী দলং আৰু গুৱাহাটী ৰিং ৰোডৰ আধাৰশিলা স্থাপন উপলক্ষে প্ৰধানমন্ত্ৰীৰ কাৰ্যসূচী সম্পৰ্কত আলোচনা কৰা হয়। এই সভাৰ স্থান নিৰ্ধাৰণ কৰাৰ বাবে এখন সমিতি গঠন কৰিবলৈকো কালিৰ বৈঠকে সিদ্ধান্ত গ্ৰহণ কৰে। একেখন বৈঠকতে দৰং জিলাত বান পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ প্ৰশাসনে গ্ৰহণ কৰা প্ৰস্তুতি সন্দৰ্ভতো আলোচনা কৰা হয়। বৈঠকত কমলপুৰৰ বিধায়ক দিগন্ত কলিতা, ৰঙিয়াৰ বিধায়ক ভৱেশ কলিতা, ছিপাঝাৰৰ বিধায়ক ডং পৰমানন্দ ৰাজবংশী, মঙলদৈৰ বিধায়ক বসন্ত দাস, ৰাজ্যিক মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতি আৰু জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০০০০০

নীপকোৱে ৰঙানদী বান্ধৰ অতিৰিক্ত পানী আকস্মিকভাৱে মুকলি কৰি দিয়াৰ পৰিপ্ৰেক্ষিতত লখিমপুৰত সৃষ্টি হোৱা ভয়াবহ বান পৰিস্থিতিৰ পাছত আজি ধেমাজিত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বিৰুদ্ধে ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। ধেমাজি নগৰৰ ৰাজপথত আজি ৰাইজৰ দলৰ নেতৃত্বত জাতীয় যুৱ বাহিনী আৰু জাতীয় নাৰী বাহিনীৰ সদস্যই প্ৰতিবাদ কৰে। প্ৰতিবাদকাৰীসকলে এন এইচ পি চিৰ বৃহৎ নদীবান্ধৰ উপৰি অৰুণাচল প্ৰদেশত নিৰ্মীয়মান ১৩৪ টা নদীবান্ধৰ কাম শীঘ্ৰেই বন্ধ কৰি দিয়াৰ দাবী জনায়।

০০০০০০০

কোকৰাঝাৰৰ জিলা আৰু ছেচন আদালতে আজি এটা হত্যাৰ গোচৰত দুজন লোকক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। ২০০৮ চনত জিলাখনৰ গোসাইগাঁও আৰক্ষী থানাৰ অন্তৰ্গত কুসুমবুল গাঁৱৰ চায়েদ আলী নামৰ এজন লোকৰ হত্যাকাণ্ডৰ গোচৰত আদালতে আখতাৰ আলী আৰু আববাছ আলী নামৰ লোক দুজনক দোষী সাব্যস্ত কৰে আৰু জিলা আৰু ছেচন ন্যায়াধীশ নিৰ্মালী তালুকদাৰে দুয়োজন অপৰাধীকে যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে।

০০০০০০০

দীপেন বড়ো আৰু খনীন্দ্ৰ বসুমতাৰী তৃতীয়টো কাৰ্যকালৰ বাবে নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদকৰূপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। আজি কোকৰাঝাৰৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ

জাওলাও নীলেশ্বৰ ব্ৰহ্ম প্ৰেক্ষাগৃহত অনুষ্ঠিত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক প্ৰতিনিধি সভাত সংগঠনটোৰ নতুন কেন্দ্ৰীয় সমিতিখন নিৰ্বাচন কৰা হয়।

০০০০০০০

ৰাষ্ট্ৰীয় আইনী সেৱা প্ৰাধিকৰণে যোৱা ১৩ মে'ৰ পৰা **সাথী** অৰ্থাৎ ছাৰ্ভে ফৰ আধাৰ এণ্ড এক্সেছ টু ট্ৰেকিং এণ্ড হ'লিষ্টিক ইনক্লুজন কেম্পেইন নামৰ ৰাষ্ট্ৰীয় অভিযান আৰম্ভ কৰিছে। অভিভাৱকহীন, আশ্ৰয়হীন, ৰাজপথত বাস কৰা, সুৰক্ষা আৰু যত্নৰ সুস্থিৰ উৎস নথকা ১৮ বছৰ তলৰ নিঃস্ব শিশুসকলক আইনী পৰিচয় প্ৰদান আৰু সমাজ কল্যাণ আঁচনিসমূহৰ সুবিধা প্ৰদানৰ লক্ষ্যৰে এই অভিযান ৰূপায়ণ কৰা হৈছে। এই অভিযানৰ অধীনত জিলা আইন সেৱা প্ৰাধিকৰণৰ নেতৃত্বত মিছন-ম'ড পদ্ধতিৰে এই বিশেষ শিশুসকলক চিনাক্ত কৰি তেওঁলোকৰ আধাৰৰ পঞ্জীয়ন কৰাৰ লগতে বিভিন্ন চৰকাৰী আঁচনিত অন্তৰ্ভুক্ত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। চৰাইদেউ জিলাত এই কামসমূহ সুচাৰুৰূপে চলাবৰ বাবে এখন জিলা **সাথী** সমিতি গঠন কৰা হৈছে আৰু এনে শিশুক চিনাক্ত কৰাৰ বাবে কাৰ্যব্যৱস্থা হাতত লোৱা হৈছে। এই শিশুসকলক চিনাক্ত কৰাৰ বাবে সহায় কৰিবলৈ সমিতিয়ে জিলাৰ সকলো নাগৰিকলৈ অনুৰোধ জনাইছে।

০০০০০০

আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আজি আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। প্ৰায় দুমাহজোৰা পৰিক্ৰমাৰ অন্তত আজি সামৰণি পৰিবলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত খিতাপ দখলৰ বাবে দুয়োটা দলে নিজৰ উৎকৃষ্ট প্ৰদৰ্শন আগবঢ়াব।

ইতিমধ্যে প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠান আৰম্ভ হৈছে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বি চি চি আইয়ে খেলৰ পূৰ্বে অপাৰেচন সিন্দূৰৰ সফলতাৰ পৰিপ্ৰেক্ষিতত সশস্ত্ৰ সেনাবাহিনীৰ প্ৰতি শ্ৰদ্ধা জনাই বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০

ধেমাজি চিলাপথাৰৰ নিবাসী, চিচি চাৰিআলিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ তথা প্ৰবীন ক্ৰীড়াবিদ টিপেশ্বৰ গগৈৰ যোৱা নিশা নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৫ বছৰ। চিলাপথাৰ সাহিত্য সভা, চিলাপথাৰ নগৰ উন্নয়ন সমিতিৰ সৈতে জড়িত প্ৰয়াত গগৈৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০

**সমাপ্ত**